## ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ (আই.এফ.এ.)ৰ
## কলা অনুশীলন কাৰ্য্যসূচীৰ অধীনত
## আৰ্টচ্‌ প্লেটফৰ্মচৰ
## আবেদন বিচাৰি আহ্বান
## আবেদন দাখিলৰ অন্তিম তাৰিখ : ৩১ আগষ্ট, ২০২৬

কলা অনুশীলন (আৰ্টচ্‌ প্ৰেক্টিচ) কাৰ্য্যসূচীৰ অধীনত এনে কিছুমান প্ৰকল্প ৰূপায়ণৰ প্ৰচেষ্টা কৰা হয়, যিয়ে শিল্পীক তেওঁৰ শিল্পৰ প্ৰাত্যহিক পৰিসৰ অতিক্ৰমি ন ন দিশ উন্মোচনত সহায় কৰিব পাৰে। এনে প্ৰকল্প - য'ত প্ৰচলিত শিল্পৰীতিৰ ওপৰত প্ৰশ্ন উদ্ৰেককাৰী কৌতুহল সৃষ্টিৰ লগতে বিষয়বস্তু, সংৰচনা আৰু মাধ্যমক লৈ নতুন চিন্তাৰ উন্মেষ ঘটে। স্থান, দৰ্শক, শ্ৰোতা আৰু বিভিন্ন সম্প্ৰদায়ৰ সৈতে জড়িত হোৱাৰ নতুন সাধন প্ৰণালী উদ্ভাৱনো ঘটিব পাৰে। তদুপৰি শিল্পকৰ্মৰ ক্ষেত্ৰত সম্পৰীক্ষামূলক মেজাজো ই সৃষ্টি কৰিব পাৰে।

**শিল্পমঞ্চ (আৰ্টছ প্লেটফৰ্মচ)**

এগৰাকী শিল্পীয়ে নিশ্চয়কৈ অনুভৱ কৰে যে শিল্পীসকলে লগ লাগি সহযোগিতাৰে শিল্প-নিৰ্মাণৰ যোগেদি হাতে-কামে সামূহিক কাৰ্যপন্থাৰ বাট দেখুওৱাৰ প্ৰয়োজন আছে। বিভিন্ন প্ৰান্তৰ, ভিন্ন শিল্পচৰ্চাত নিমজ্জিত ভিন্ন প্ৰজন্মৰ শিল্পী যেতিয়া লগ লাগে, তেতিয়া সতীৰ্থ-গোট, নেটৱৰ্ক, দল আদি গঠন কৰি নতুন নতুন ধ্যান-ধাৰণা আৰু কৌশলক লৈ আলোচনা কৰিব পাৰি, তাত নতুনত্ব আনিব পাৰি। ইয়াৰ লগে লগে উদ্ভাৱনাৰো বাট মুকলি হয়। জ্ঞানৰ আদান-প্ৰদান, কথোপকথন, তৰ্কালোচনা, শিকন আৰু সামূহিক বিকাশৰ বাবে স্থান সৃষ্টি কৰি এই **মঞ্চ** হৈ পৰিব পাৰে শৈল্পিক শক্তিসমূহৰ লেখত ল'বলগীয়া ন এক সংগমস্থল।

এনে নেটৱৰ্কে প্ৰগতিশীল শিল্পীসকলক সমাজ-ৰাজনৈতিক ঘটনাৰাজীৰ প্ৰতি সময়োচিত সঁহাৰি জনাবলৈ, শিল্পচৰ্চাৰ বাবে বহুকাল বৰ্তি থাকিবপৰা গাঁথনি নিৰ্মাণ, পৰিস্থিতি-সাপেক্ষে সুদৃঢ় শিল্পী সমাজ গঢ়ি তুলিবলৈ আৰু এতিয়ালৈ নাশ্ৰুত কণ্ঠক সন্মুখৰফালে আগবঢ়াই আনি গুৰুত্বপূৰ্ণ স্থান প্ৰদানত সক্ষম কৰি তুলিব পাৰে। শৈল্পিক সমল এটাস্থানতে মজুত আৰু অংশীদাৰিত্বক উৎসাহিত কৰি শিল্পমঞ্চই এনে এক সৃষ্টিশীল পৰিৱেশ গঢ়ি তোলে যিয়ে অন্তৰ্ভুক্তিকৰণ, খাপ খুৱাই ল'বপৰা ক্ষমতা আৰু দীৰ্ঘস্থায়ী সুফলক প্ৰাধান্য দিয়ে। পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে শৈল্পিক চৰ্চা খাপ খাই পৰাটো ই নিশ্চিত কৰে। তাৰোপৰি ই কলাৰ ক্ষেত্ৰত উদ্ভাৱন, সংহতি আৰু সামূহিক শক্তিৰ প্ৰমূল্যবোধক স্বীকাৰ কৰে।

কলা অনুশীলন কাৰ্যসূচীৰ অধীনত আমি **শিল্পমঞ্চৰ** বাবে এনে প্ৰস্তাৱৰ আহ্বান জনাইছো য'ত কৰ্মশালা, ৰেজিডেন্সী, শিল্পী সন্মিলন আদি অন্তৰ্ভুক্ত হ'ব পাৰে, যিয়ে নেটৱৰ্ক আৰু স্থান (ফিজিকেল আৰু অনলাইন বা

দুয়োটাৰে সংমিশ্ৰণ) গঢ়ি তোলা আৰু উৎসাহিত কৰাৰ প্ৰয়াস কৰে। এই পদক্ষেপসমূহৰ যোগেদি শিল্পীয়ে একেখন মঞ্চলৈকে একে ধৰণৰ বা ভিন্ন শিল্পচৰ্চাৰ সৈতে জড়িত শিল্পীক একত্ৰিকৰণৰ প্ৰয়াস কৰা উচিত য'ত মত-বিনিময় আৰু সহযোগিতাৰ দৃষ্টিভংগীক উৎসাহিত কৰা হয়। লগতে সৃজনীশীলতাৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তোলা হয় আৰু শিল্পচৰ্চা চলাই যাবলৈ সমৰ্থন আগবঢ়োৱা হয়।

**প্ৰকল্পৰ সময়সীমা**

সৰ্বাধিক ১২ মাহ

**বাজেট**

সৰ্বাধিক ৩,০০,০০০/- টকা পৰ্যন্ত বাজেট কৰিব পাৰে

**কোনে আবেদন কৰিব পাৰিব ?**

এই কাৰ্য্যসূচীত শিল্পকলাৰ সৈতে জড়িত বিষয়ৰ লগতে আন বিভিন্ন ক্ষেত্ৰৰ অনুশীলনকাৰীৰ পৰা প্ৰস্তাৱৰ আহ্বান জনোৱা হৈছে। এই প্ৰকল্পত নিম্নোক্ত ক্ষেত্ৰসমূহত কাম কৰা ব্যক্তিয়ে ভাগ ল'ব পাৰিব:

- সংগীত, শব্দ, টেক্সট্, নৃত্য, মুভমেণ্ট, থিয়েটাৰ, পুতলা নাচ, কাহিনীকথন, যাদু, চাৰ্কাচ আৰু আন পৰিৱেশ্য কলাৰ সৈতে জড়িত শিল্পীসকল
- চলচ্চিত্ৰ (তথ্যচিত্ৰ আৰু কথাশিল্প), এনিমেচন, ফটোগ্ৰাফি, ইনষ্টলেচন, নিউ মিডিয়া, ক্ৰিয়েটিভ ক'ডিং, কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিকচ্, ইণ্টাৰেক্টিভ শিল্প, গেমিং, চিত্ৰশিল্প, ভাস্কৰ্য্যশিল্প, প্ৰিণ্টমেকিং, কমিক বুক, গ্ৰাফিক নেৰেটিভ, আৰ্টিষ্ট বুক আদিকে ধৰি আন আন দৃশ্যকলাৰ সৈতে জড়িত শিল্পীসকল
- কিউৰেটৰসকল, বিশেষকৈ বীথিকা প্ৰসংগৰ বাহিৰত কাম কৰি থকাসকল
- কবি, ঔপন্যাসিক, চুটি কল্পকাহিনী লিখক, নাট্যকাৰ, চিত্ৰনাট্যকাৰ, কমিক ৰাইটাৰ, গেম ৰাইটাৰ, সৃষ্টিশীল অকাল্পনিক বিষয়বস্তুভিত্তিক ৰচনাকাৰ
- আন্তঃবৈষয়িক শিল্পকৰ্মত জড়িত শিল্পীসকল

**প্ৰস্তাৱ দাখিলৰ নিয়মাৱলী**

আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত প্ৰকল্প প্ৰস্তাৱ লিখিব পাৰিব। ইংৰাজীৰ বাহিৰেও অন্যান্য ভাৰতীয় ভাষাত প্ৰকল্প দাখিল কৰাত আই.এফ.এ.-য়ে উৎসাহ যোগায়।

**নিম্নোক্ত বিৱৰণসহ আপোনাৰ প্ৰস্তাৱ আমালৈ পঠিয়াওক:**

- আপুনি ইতিপূৰ্বে চৰ্চা কৰি থকা শিল্প, লগতে শিল্পী হিচাপে সেই লৈ আপুনি কৰা ধ্যান-ধাৰণা আৰু আপোনাৰ আগ্ৰহৰ বিষয়ে
- শিল্পমঞ্চ এখন গঢ়ি তোলাৰ বাবে আপোনাক কিহে উৎসাহিত কৰে
- আপুনি গঢ়ি তুলিব বিচৰা শিল্পমঞ্চ – তাৰ উদ্দেশ্য আৰু এইকামত আপোনাৰ সংগী তথা সহযোগীসকল আৰু আপুনি যি ঠাইত এই মঞ্চ গঢ়ি তুলিব বা সক্ৰিয় কৰি তুলিব বিচাৰিছে, সেই স্থান আৰু নেটৱৰ্কৰ বিৱৰণ
- কেতিয়া কি কাম কৰা হ’ব, তাৰ সবিশেষ সময়ৰেখা
- বাজেটৰ বিস্তৃত ব্যাখ্যা
- এই প্ৰস্তাৱৰ সৈতে সম্পৰ্ক থকা আপুনি আগতে কৰা কামৰ খতিয়ান।
- আপোনাৰ সম্পূৰ্ণ ডাক-ঠিকনা, ফোন নং আৰু ইমেইল আইডিৰ সৈতে অৰ্হতাপত্ৰ (CV)
- আপুনি আপোনাৰ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱ কলা অনুশীলনৰ কাৰ্য্যসূচী বিষয়া জন জেভিয়াৰক john@indiaifa.org ইমেইল ঠিকনাত মেইলৰ চাবজেক্ট লাইনত ‘Project Proposal for Arts Platforms (Arts Practice)’ বুলি লিখি পঠিয়াব।
- প্ৰকল্পৰ প্ৰস্তাৱ সন্দৰ্ভত কিবা বুজি নাপালে বা সুধিবলগীয়া থাকিলে অনুগ্ৰহ কৰি john@indiaifa.org লৈ লিখক

**যোগ্যতা**

- কেৱল ভাৰতীয় নাগৰিকে আবেদন কৰিব পাৰিব। ভাৰতীয় মূলৰ ব্যক্তি (পাৰ্ছন অৱ ইণ্ডিয়ান অৰিজিন চমুকৈ পি.আই.অ’) আৰু প্ৰৱাসী ভাৰতীয় নাগৰিক (অভাৰছীজ চিটিজেন অৱ ইণ্ডিয়া চমুকৈ অ’.চি.আই.) কাৰ্ডৰ অধিকাৰীয়ে আবেদন কৰিব নোৱাৰিব।
- আবেদনকাৰীৰ পান (PAN) কাৰ্ডৰ লগতে ভাৰতীয় পাৰপত্ৰ বা আধাৰ কাৰ্ড বা ভাৰতীয় ভোটাৰ পৰিচয় পত্ৰৰ যিকোনো এখন চিনাক্তকৰণৰ নথি থাকিব লাগিব।
- কেৱল ব্যক্তিয়েহে আবেদন কৰিব পাৰে। কোনো ধৰণৰ সংস্থাই আবেদন কৰিব নোৱাৰিব।
- প্ৰকল্পত যদি কোনো সহযোগী আছে, তেন্তে সেই সহযোগী ব্যক্তিসকল ভাৰতীয় নাগৰিক হ’ব লাগিব।
- প্ৰকল্পৰ কোনো সহযোগীয়ে যদি পূৰ্বতে আই.এফ.এ.ৰ বিত্তীয় নিয়মাৱলী উলংঘা কৰিছে, তেন্তে তেনে ব্যক্তিক যোগ্য বুলি বিবেচনা কৰা নহ’ব।
- আই.এফ.এ.ৰ পৰা পূৰ্বে লাভ কৰা অনুদানৰ অধীনত আই.এফ.এ.ত জমা কৰিবলগীয়া সামগ্ৰী/নথি ইত্যাদি জমা দিয়াত ব্যৰ্থজনক যোগ্য বুলি বিবেচনা কৰা নহ’ব।

- পূৰ্বতে কোনো কাৰণত আই.এফ.এ.ত ভৱিষ্যতে আবেদন কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞাৰ পত্ৰ লাভ কৰা ব্যক্তিক আবেদনৰ বাবে যোগ্য বিবেচনা কৰা নহ'ব।
- বৰ্তমান আই.এফ.এ.ৰ দ্বাৰা ৰূপায়িত প্ৰকল্পত কৰ্মৰত ব্যক্তিয়ে আবেদন কৰিব নোৱাৰিব।
- যুটীয়া খাতা থকাৰ ক্ষেত্ৰত একাধিক ব্যক্তিয়ে আবেদন কৰিব পাৰিব। যদি যুটীয় খাতা নাই, তেন্তে তেওঁলোকৰ মাজৰ কেৱল এজনে আন ব্যক্তিৰ সৈতে সহযোগী হিচাপে আবেদন কৰা উচিত।

**বাচনি প্ৰক্ৰিয়া**

বিবেচিত প্ৰস্তাৱসমূহৰ মূল্যায়ন বাহ্যিক পেনেলে কৰিব আৰু আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিব লাগিব।

**নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়ণ কৰা হ'ব।**

**মনত ৰাখিবলগীয়া তাৰিখকেইটা:**

- আপোনাৰ যদি এই সন্দৰ্ভত কিবা জানিবলগীয়া আছে বা লিখিত, দৃশ্য বা শ্ৰাব্য ফৰ্মেটত আপোনাৰ ধাৰণা শ্বেয়াৰ কৰিব বিচাৰে, তেন্তে **২০২৬ৰ ২১ আগষ্টৰ** ভিতৰত মেইল কৰিব।
- চূড়ান্ত প্ৰকল্পৰ সময়সীমা: **৩১ আগষ্ট, ২০২৬**
- নিৰ্বাচিত প্ৰকল্পৰ ঘোষণা: **নৱেম্বৰ, ২০২৬**

***অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৱে সমান সমৰ্থন, মৰ্য্যাদা আৰু সুৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।***

***